**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-09-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
**-----------------------**

কাইলৈ অনুষ্ঠিত হ'বলগীয়া ৰাজ্য চৰকাৰৰ তৃতীয় বৰ্গৰ অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ দ্বিতীয় পৰ্যায়ৰ প্ৰস্তুতি সন্দৰ্ভত যোৰহাটৰ আৰৱ্ত ভৱনত কালি এলানি বৈঠক অনুষ্ঠিত হয়। ভিডিঅ' কনফাৰেন্সিঙৰ যোগেদি ৰাজ্যজুৰি অনুষ্ঠিত হোৱা প্ৰথমখন বৈঠকত অসমৰ মুখ্য সচিবে সমাগত পৰীক্ষাৰ প্ৰস্তুতিৰ বুজ লয়। তেওঁ লগতে সমগ্ৰ যোৰহাট জিলাৰ পৰীক্ষাৰ কেন্দ্ৰসমূহৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ সৈতেও এখন বৈঠকত মিলিত হয়। সভাত যোৰহাট জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক, অতিৰিক্ত জিলা আয়ুক্তৰ লগতে জিলা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকলো উপস্থিত থাকে।

০০০০০০

আয়ুষ্মান ভাৰত ডিজিটেল মিছনে ৩ বছৰ সম্পূৰ্ণ কৰিলে। এই মিছনৰ অধীনত বৰ্তমানলৈকে ৬৭ কোটিৰো অধিক আয়ুষ্মান ভাৰত স্বাস্থ্য একাউণ্ট সৃষ্টি কৰা হৈছে। ইয়াৰোপৰি ৪২ কোটিৰো অধিক স্বাস্থ্য অভিলেখ আভাৰ সৈতে জড়িত হৈ পৰিছে। আনহাতে, আয়ুষ্মান ভাৰত ডিজিটেল মিছনৰ অধীনত ১৭ হাজাৰৰো অধিক ব্যক্তিগত সুবিধাকে ধৰি ১ লাখ ৩০ হাজাৰৰো অধিক লোকে সুবিধা লাভ কৰিছে। ৰাষ্ট্ৰীয় সেৱাৰ অধীনত ইতিমধ্যে ৩ লাখ ৩০ হাজাৰ স্বাস্থ্য সুবিধা আৰু ৪ লাখ ৭০ হাজাৰ স্বাস্থ্যকৰ্মী পঞ্জীয়নভুক্ত হৈছে।

০০০০০০

আজি বিশ্ব জলাতংক ৰোগ দিৱস। মাৰাত্মক ৰোগবিধ প্ৰতিৰোধ তথা ২০৩০ চনৰ ভিতৰত নিৰ্মূল কৰিবলৈ সকলোকে এই ক্ষেত্ৰত সজাগ হ'বলৈ ৰাষ্ট্ৰ স্বাস্থ্য অভিযান অসমে আহ্বান জনাইছে। লগতে জন্তুৱে কামুৰিলে চাবোন আৰু পানীৰে ঘাডোখৰ পৰিষ্কাৰ কৰি ধোৱা, এণ্টিচেপ্টিক লগোৱা, পোহনীয়া কুকুৰক জলাতংকৰ প্ৰতিষেধক দিয়াৰ লগতে জন্তুৱে চেলেকা বা আঁচোৰা উপেক্ষা নকৰিবলৈ, ঘা বান্ধি নাৰাখিবলৈ তথা আনুষংগিক সতৰ্কীকৰণসমূহ মানি চলিবলৈকো আহ্বান জনোৱা হৈছে। তদুপৰি স্বাস্থ্য সম্পৰ্কীয় পৰামৰ্শৰ বাবে ১০৪ আৰু এম্বুলেন্স সেৱাৰ বাবে ১০৮ ডায়েল কৰিবলৈকো এক বিজ্ঞপ্তিযোগে কোৱা হৈছে।

০০০০০০

তিনিচুকীয়া জিলাৰ ৰাথৈৰ পূৰ্বাঞ্চল ৰাজহুৱা খেলপথাৰত কালি বিজ্ঞানসন্মত পশুপালন সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক চমুকৈ নাবাৰ্ড, তিনিচুকীয়া জিলা উন্নয়ন বিষয়াৰ উদ্যোগত অনুষ্ঠিত সভাখনত গ্ৰাম্যাঞ্চলত ছাগলী, হাঁহ-কুকুৰা আদিৰ বিজ্ঞানসন্মত পালনৰ ক্ষেত্ৰত পশুপালকসকল কিদৰে স্বাৱলম্বী হ'ব পাৰে এই বিষয়ে পৰামৰ্শ আগবঢ়ায়। সভাখনত নাবাৰ্ডৰ উপ-আঞ্চলিক সাধাৰণ মহাপ্ৰবন্ধক ইভান টি মানচুং, নাবাৰ্ডৰ তিনিচুকীয়া জিলা উন্নয়ন বিষয়া, খণ্ড উন্নয়ন পশুপালন বিষয়া আদিৰ লগতে গ্ৰামীন স্বনিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান, ষ্টেট বেংক অব ইণ্ডিয়াৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত **স্বচ্ছতা হি সেৱা** সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যিক পঞ্চায়তি ৰাজ আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ যুটীয়া সঞ্চালক সুৰজিৎ বৰগোঁহাই আৰু নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ সহযোগী অধ্যাপক ডাঃ ভাস্কৰ ঠাকুৰীয়া সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰি মানস প্ৰতীম শৰ্মাই।

০০০০০০

তিনিচুকীয়া জিলা প্ৰশাসনে অহা ১ অক্টোবৰত তিনিচুকীয়া জিলা দিৱস আয়োজন কৰাৰ বাবে প্ৰস্তুতি চলাইছে। চৰকাৰৰ নিৰ্দেশ অনুসৰি জিলা প্ৰশাসনৰ দ্বাৰা তৃতীয়বাৰৰ বাবে হ'বলগীয়া এই দিৱসৰ মূল কাৰ্যসূচী জিলাখনৰ বৰগুৰিত থকা আই টি আই খেলপথাৰত অনুষ্ঠিত হ'ব। জিলা আয়ুক্তগৰাকীয়ে দিৱসৰ সকলো কাৰ্যসূচীত ৰাইজৰ অংশগ্ৰহণ কামনা কৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

ভাৰত-বাংলাদেশৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্টত বাংলাদেশে ৩টা উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ১০৭ ৰাণৰ পৰা আজিৰ দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব। বৰষুণৰ বাবে নিৰ্ধাৰিত সময়ৰ পূৰ্বে কালি খেল সামৰাৰ পৰত মমিনুল হকে ৪০ আৰু মুছফিকুৰ ৰহিমে ৬ ৰাণ কৰি খেলি আছিল। আকাশ দীপে দুটা উইকেট দখল কৰাৰ বিপৰীতে ৰবিচন্দ্ৰন অশ্বিনে এটা উইকেট দখল কৰিছে।

ইয়াৰ পূৰ্বে বৰষুণ তথা সেমেকা আউটফিল্ডৰ বাবে পলমকৈ আৰম্ভ হোৱা খেলখনত ভাৰতে টছত জয়লাভ কৰি আলহী দলটোক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়।

উল্লেখযোগ্য যে, চেন্নাইত অনুষ্ঠিত প্ৰথমখন টেষ্টত ভাৰতে বাংলাদেশক ২৮০ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰি ইতিমধ্যে শৃংখলাত ১-০ ফলাফলেৰে অগ্ৰগতি লাভ কৰিছে।

০০০০০০

সমাপ্ত